দৈনিক জনমভূমি

11th September

Thursday

# দিছপুৰ মহাবিদ্যালয়ত বক্তৃতানুষ্ঠান সম্পন্ন



**মহানগৰ ব্যুৰ’**, ১০ ছেপ্টেম্বৰ ঃ দিছপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ উদ্যোগত দিছপুৰ মহাবিদ্যালয়ৰ এন পি বি কনফাৰেন্স হলত ১০ ছেপ্টেম্বৰত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে আই চি পি আৰৰ পৃষ্ঠপোষকতাত বক্তৃতা কাৰ্যসূচীৰ আয়োজন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে দিছপুৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই আদৰণী ভাষণ প্ৰদান কৰে। অনুষ্ঠানত উপস্থিত থাকি দুগৰাকী বিশিষ্ট সমল ব্যক্তি ক্ৰমে গুৱাহাটী বিশ্ববিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী ড° আকোইজাম থোইবিছানা আৰু পাণ্ডু মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ সহযোগী অধ্যাপক ড° মৈত্ৰেয়ী শৰ্মাই দুটা পৃথক বিষয়ত বক্তৃতা প্ৰদান কৰে। পঞ্চম ষাণ্মাসিকৰ ছাত্ৰী পৰিস্মিতা কলিতা আৰু জীনা বৰুৱাই ‘যোগ আৰু দৰ্শন’ বিষয়ক গৱেষণা-পত্ৰ উপস্থাপন কৰে। দিছপুৰ মহাবিদ্যালয়ৰ দৰ্শন বিভাগৰ মুৰব্বী অধ্যাপক ড° শশী মোহন দাসেও বৈঠকত বক্তব্য আগবঢ়ায়। ড° মামণি কলিতাই আঁত ধৰা অনুষ্ঠানটোত ড° নাজনীন আহমেদে সমন্বয়কৰ ভূমিকা পালন কৰে।